# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

বৃহস্পতিবাৰ, ৬ মাৰ্চ, ২০২৫

**এক্ট ইষ্ট পলিচি এফিয়াৰচ্, পৰিৱেশ আৰু বন, সংসদীয় পৰিক্ৰমা, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*Subject :* **Proposal for 4th Assam Protection force Battalion at Mariani.**

Shri Rupjyoti Kurmi :

* 101. Will the Minister of Environment & Forest Department be pleased to State :

(a) Is the Govt. aware that at Jorhat district there is only one Wild Life Sanctuary at Mariani, i.e. Gibbon and also Mariani has State Boundary i.e. Tiru Hills RF, Dessoi RF and Dessoi-Valley RF ?

(b) If yes, will the Govt. propose for 4th Assam Forest Protection force Battalion Camp at Mariani, adjacent to the Reserve Forests on the Assam-Nagaland Border ?

(c) If yes, by when ?

*বিষয় ঃ* **প্ৰৱক্তা নিযুক্তি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ১০২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান পাকা বেতবাৰী সমষ্টিৰ কয়াকুছি মহাবিদ্যালয়, মাজগাঁৱৰ হাজী জামাল উদ্দিন মহাবিদ্যালয়, কালজাৰ ইটাৰভিটা মহাবিদ্যালয়, এতিয়ালৈকে কিয় প্ৰাদেশিকীকৰণ হোৱা নাই আৰু উক্ত মহাবিদ্যালয় কেইখন কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? বিতং তথ্য দিব।

(খ) পূৰ্বৰ সৰুক্ষেত্ৰী সমষ্টিৰ হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ৰ কিমান প্ৰৱক্তাৰ চাকৰি এতিয়ালৈকে টিউটৰ হিচাপে আছে আৰু এইসকল টিউটৰৰ পৰা কেতিয়া নিয়মীয়াকৈ প্ৰৱক্তাৰ নিযুক্তি লাভ কৰিব?

(গ) উক্ত মহাবিদ্যালয়খনৰ কোন কোন

প্ৰৱক্তা নিযুক্তিৰ পৰা বঞ্চিত হৈ আছে তাৰ তালিকা দিব। বৰ্তমানলৈকে বঞ্চিত হৈ থকা প্ৰৱক্তাসকলৰ নিযুক্তি কেতিয়া হ'ব? জনাব।

*বিষয়ঃ* **শিক্ষক নিযুক্তি**

শ্ৰীবলিন চেতিয়া ঃ

* ১০৩। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া বিধান সভা সমষ্টিৰ কিমানখন প্ৰাথমিক বিদ্যালয় এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত হৈ আছে? এই বিদ্যালয় সমূহত শিক্ষক নিয়োগ কৰাৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ লৈছে আৰু কেতিয়ালৈকে কাৰ্য্যকৰী হ'ব?

(খ) ১৯৯১ আৰু ২০০১ চনৰ ভিতৰত অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা নিযুক্ত ১৩৬ জন অনিয়মীয়া বিবেচিত প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক / শিক্ষয়িত্ৰী সকলক ২০১৮ চনত চৰকাৰে নিয়মীয়া কৰিলে কিন্তু নতুন পেঞ্চন নীতি (NPS) অন্তৰ্ভূক্ত কৰি যোগদানৰ তাৰিখো নতুনকৈ দিয়া হ'ল। এই ক্ষেত্ৰত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে তিনিচুকীয়া জিলাৰ ৯ জন শিক্ষক / শিক্ষয়িত্ৰীৰ ২০২৪ বৰ্ষৰ পুৰণি পেঞ্চন নীতি (OPS) লৈ পৰিৱৰ্ত্তিত কৰি বকেয়া আদিও প্ৰদান কৰিলে, গতিকে বাকী ৰৈ যোৱা ১২৭ জন শিক্ষক / শিক্ষয়িত্ৰীৰ ক্ষেত্ৰত একে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয়ঃ* **কালাইনে ষ্টাৰ সিমেন্টের শিল্প উদ্যোগ সম্পৰ্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

* ১০৪। মাননীয় উদ্যোগ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কালাইনে যে ষ্টার সিমেণ্টের শিল্প উদ্যোগ গঠন করার পরিকল্পনা করা হচ্ছে সেখানে ক'ত পরিমান জমি বরাদ্দ করা হবে বা হয়েছে? কতটুকু বিস্তৃত অঞ্চল নিয়ে এই শিল্প উদ্যোগ গঠন করা হবে?

(খ) এই শিল্প উদ্যোগে স্থানীয় কত সংখ্যক বেকার যুবক-যুবতীদের কর্মসংস্থাপনের বন্দোবস্ত হবে? কবের মধ্যে এই প্রকল্প বাস্তবায়িত হবে?

(গ) পাঁচগ্রাম পেপার মিলে বিটিএম (Bamboo to Methanol) প্রকল্প গঠনের সরকারি পরিকল্পনা বাস্তবায়নের অগ্রগতি কতটুকু? কবের মধ্যে এই প্রকল্প বাস্তবায়িত হবে? বিস্তারিত তথ্য সদনে পরিবেশন করার অনুরোধ জানাই।

(ঘ) বদরপুর ইণ্ডাষ্ট্রিয়াল এস্টেটে কোন কোন সংস্থা বা ব্যক্তিকে তাদের কারখানা চালানোর জন্য বরাত বা লিজ দেওয়া হয়েছে? নাম / সংস্থার নাম উল্লিখিত বিস্তারিত বিবরণ সদনে পরিবেশন করার অনুরোধ জানাই।

(ঙ) কী প্রক্রিয়ায় এই লিজগুলি দেওয়া হয়েছে? এই লিজ দেওয়ার মাধ্যমে সরকারের কত রাজস্ব আদায় হয়েছে?

*Subject :* **Amalgamation of schools etc.**

Shri Sherman Ali Ahmed :

* 105. Will the Minister of Education Department be pleased to State :

(a) What action is taken for amalgamation of schools proposed vide no BDC/Amal&Mer/2024/87/16643 dated 23-12-2024 ?

(b) How Mahir Uddin, CRCC is

reinstated without inflicting punishment for his moral turpitude? Please furnish report of DP and action taken thereon.

(c) What action is taken on memo no. 45/D-3(i) (B)/2022-23 dated 21-02-23 and dated 11-02-2025 regarding irregular appointment of President of Uzirarchar High School?

(d) As per reply to Unstarred QN 163 dated 29-08-2024, both M. Phil and Ph. D degrees of Ibrahim Ali Bhuyan of Habraghat College were found in order. Why the conditions are not withdrawn even after 4 years?

(e) As per the said reply, conditions imposed on many teachers, whose degrees were detected to be vitious, were withdrawn. Why?

(f) In view of said reply, how many candidates for the post of EV in Barpeta district during 2023-24 were disqualified? Please furnish list along with their marks in HSLC and HSSLC Exam.

*বিষয় ঃ* **তিনিচুকীয়া প্লাষ্টিক পাৰ্ক**

শ্ৰী পোনাকণ বৰুৱা ঃ

* ১০৬। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ চাবুৱা সমষ্টিৰ অন্তৰ্গত গেনাপুখুৰী চাহ বাগিচাৰ ভূমি অধিগ্ৰহণ কৰি নিৰ্মাণ কৰা "প্লাষ্টিক পাৰ্ক"ত গেছ ক্ৰেকাৰ উদ্যোগ সম্পৰ্কিত কোনো ভটিয়নী উদ্যোগ গঢ় লৈছে নেকি? সবিশেষ জনাব।

(খ) উক্ত প্লাষ্টিক পাৰ্কত ভটিয়নী উদ্যোগৰ সলনি অন্য কি কি উদ্যোগ চলি আছে?

(গ) এড্‌ভাণ্টেজ আসামৰ পাছত তাত কোনোৱে উদ্যোগ গঢ়াৰ ইচ্ছা কৰিছে নেকি?

(ঘ) প্লাষ্টিক পাৰ্কত থকা উদ্যোগ সমূহত এতিয়ালৈকে কিমানজন নিবনুৱাই সংস্থাপন পাইছে?

*বিষয় ঃ* **বনাঞ্চল এলেকাত থকা গাঁও সমূহৰ গাঁওপ্ৰধানক মাহেকীয়া পাৰিতোষিক প্ৰদান কৰাৰ সন্দৰ্ভত।**

শ্ৰী বিশ্বজিৎ ফুকন ঃ

* ১০৭। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বন বিভাগৰ দ্বাৰা বনাঞ্চল এলেকাত থকা গাঁওসমূহৰ প্ৰায় ১৪৪৫ জন গাঁওপ্ৰধানক মাহেকীয়া পাৰিতোষিক দিবৰ বাবে ডিচেম্বৰ মাহত সিদ্ধান্ত লোৱা হৈছিল আৰু জানুৱাৰী মাহৰ পৰা এই গাঁওপ্ৰধান সকলে পাৰিতোষিক পাব বুলি প্ৰকাশ পাইছিল, এই বিষয়ে চৰকাৰ অৱগত নে? বৰ্তমানলৈকে কিমানজন গাঁওপ্ৰধানে তেওঁলোকৰ মাহেকীয়া পাৰিতোষিক লাভ কৰিছে, এই সম্পৰ্কে তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **শিক্ষা সম্পৰ্কে**

শ্ৰী মজিবুৰ ৰহমান ঃ

* ১০৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) RTE Act, 2009 মতে বিদ্যালয় ভিত্তিত PTR Maintain হোৱা নাই, যাৰ ফলত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী সকল বিশেষকৈ দৰং জিলাৰ দলগাঁও-শিয়ালমাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে।

দলগাঁও-শিয়ালমাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যালয়ৰ সংখ্যা-

(১) প্ৰাথমিক বিদ্যালয়- ৪৩০ খন

(২) উচ্চ প্ৰাথমিক বিদ্যালয়- ৫৪ খন

(৩) উচ্চ মাধ্যমিক বিদ্যালয়-১৯ খন

(৪) উচ্চতৰ মাধ্যমিক বিদ্যালয়- ৯ খন

ইয়াৰে High PTR প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ১৯৫ খন আৰু High PTR উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ২৫ খন। সমগ্ৰ অসমৰ লগতে দলগাঁও-শিয়ালমাৰী শিক্ষাখণ্ড এলেকাত PTR Maintain ৰ বাবে চৰকাৰখনে কিবা পৰিকল্পনা হাতত লৈছে নেকি বা কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰূপায়ণৰ সৈতে সংগতি ৰাখি অসম কেবিনেট (2nd August/2023) ৰ সিদ্ধান্ত মৰ্মে প্ৰধান শিক্ষকৰ পদ সমূহত নিযুক্তি দিয়াৰ পদক্ষেপ আৰু স্থিতি কি পৰ্য্যায়ত আছে আৰু নিযুক্তি সমাপন কৰিবলৈ চৰকাৰৰ কিমান দিনৰ প্ৰয়োজন হ'ব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*Subject :* **Autonomous Councils, its annual allocation of funds and ST status to 6 (six) tribal communities.**

Shri Abdur Rashid Mandal :

* 109. Will the Minister of Tribal Affairs Department be pleased to State :

(a) Please furnish the names of Autonomous Councils, Development Councils constituted by the Govt. of Assam for Welfare and Development of Plain Tribes in Assam including population covered by each Council, annual allocation of funds and release of funds by the Govt. during the period from 2017-18 till date.

(b) Whether the Govt. is aware of the long pending demand of 6 (six) tribal communities in Assam for ST status ? If yes, what is the present status of the issue at the Government level ? Please furnish in details.

*বিষয় ঃ* **বিদ্যালয় আন্তঃগাঁথনি।**

শ্ৰী ছামছুল হুদা ঃ

* ১১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত ELEMENTARY, SECONDARY, HIGHER SECONDARY SCHOOL সমূহত কিমান পদ খালী হৈ আছে? বৰ্তমান এই বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা কিমান?

(খ) ধুবুৰী জিলাৰ কোন কোন বিদ্যালয়ৰ কিমান ছাত্ৰ-ছাত্ৰী এ ISHAN UDAY SCHOLARSHIP লাভ কৰিলে? ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষ অনুযায়ী বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ২৭ নং পূৱ বিলাসীপাৰা বিধান সভা সমষ্টিৰ কিমানখন বিদ্যালয়ে, বিদ্যালয় আন্তঃগাঁথনিৰ কাৰণে কোনটো কোনটো আঁচনিৰ পৰা কিমান কিমান ধন লাভ কৰিছিল? বিত্তীয় বৰ্ষ অনুযায়ী বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয়ঃ* **Model Residential School/ Model Residential Women Degree College ত পাঠদান সম্পৰ্কে।**

শ্ৰী কৰিম উদ্দিন বৰভূঁঞা ঃ

* ১১১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

আমজোৰ ঘাটত অৱস্থিত সোনাই Model Residential স্কুল আৰু সোনাই Model Women Degree College দুয়োখনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতো পাঠদান কাৰ্য্য আৰম্ভ নকৰাৰ কাৰণ কি? কেতিয়ালৈকে পাঠদান কাৰ্য্য আৰম্ভ কৰিব?

*বিষয়ঃ* **Advantage Assam ৰ উদ্যোগীকৰণ সন্দৰ্ভত।**

শ্ৰী চক্ৰধৰ গগৈ ঃ

* ১১২। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰস্তাৱিত Advantage Assam ৰ মূল লক্ষ্য কি?

(খ) Advantage Assam এ অসমত উদ্যোগীকৰণ আৰু অৰ্থনৈতিক বিকাশত কেনেকৈ সহায় কৰিব, জনাব।

(গ) আহি থকা Advantage Assam ত কিমানখন বিদেশী ৰাষ্ট্ৰই ভাগ ল'ব? আমন্ত্ৰিত দেশ সমূহৰ নামৰ তালিকা দিব।

*বিষয়ঃ* **শিক্ষক নিযুক্তি**

শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ

* ১১৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কটন বিশ্ববিদ্যালয়ৰ Assistant Professor/Associate Professor/ Professor ৰ প্ৰতিটো বিভাগ অনুযায়ী পদ খালী হৈ আছে নেকি?

(খ) যদি খালী হৈ আছে, তেন্তে এই পদবোৰ পূৰণ কৰিবলৈ কিবা ব্যৱস্থা লৈছেনে?

(গ) যদি ব্যৱস্থা লৈছে, তেন্তে খালী পদ পূৰণৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে নেকি? বিজ্ঞাপনৰ প্ৰতিলিপি দিব।

(ঘ) কটন বিশ্ববিদ্যালয়ৰ পদৰ নিযুক্তি প্ৰক্ৰিয়া কেতিয়া আৰম্ভ হ'ব? সবিশেষ জনাব।

*বিষয়ঃ* **উদ্যোগ নিৰ্মাণ সম্পৰ্কে**

শ্ৰী আবুল কালাম ৰশিদ আলম ঃ

* ১১৪। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Matia (Mornai) Growth Industrial Centre, Goalpara ৰ নামত কিমান ভূমি আবণ্টন (Land Allotment)

দিয়া হৈছে, ইয়াত কিমানটা Industry চলি আছে আৰু কিমানটা বাকী আছে? এই Industry সমূহৰ নাম, তালিকা তথ্য সহকাৰে জনাব। চৰকাৰৰ লগত হোৱা চুক্তি মৰ্মে কাম কৰিছে নে ভঙ্গ কৰিছে? যদি ভঙ্গ কৰিছে, সেই Industry সমূহৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'বনে? যদি নলয়, কিয়? চৰকাৰ আৰু Industry ৰ লগত হোৱা চুক্তিৰ কপিসহ তথ্য সহকাৰে জনাব।

(খ) এই উদ্যোগসমূহ নিৰ্মাণ কৰাত স্থানীয় শ্ৰমিক, ঠিকাদাৰ আৰু প্ৰতিষ্ঠানক নিয়োগ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিব নেকি? যদি নকৰে কিয়? তথ্য সহকাৰে জনাব।

(গ) এই উদ্যোগসমূহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'বলৈ বা চলি থাকিবলৈ বিভিন্ন Raw materials যোগান দিয়াৰ কাৰণে স্থানীয় ব্যক্তি বা প্ৰতিষ্ঠানক নিয়োগ কৰা যাব নেকি? যদি নাযায় কিয়? তথ্য সহকাৰে জনাব।

*বিষয়ঃ* **সোনাহাট বাণিজ্য কেন্দ্ৰ সম্পৰ্কে**

শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ১১৫। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোটেই অসমত কিমানটা বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান আছে? জিলা ভিত্তিক পৃথকে পৃথকে সদনত উল্লেখ কৰিব।

(খ) ধুবুৰী জিলাৰ অন্তৰ্গত গোলকগঞ্জ সমষ্টিত নতুনকৈ কোনো বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান স্থাপনৰ পৰিকল্পনা আছেনে জনাব।

(গ) গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত সোনাহাট বাণিজ্য কেন্দ্ৰটোক আগুৱাই লৈ যোৱাৰ বাবে কিবা পৰিকল্পনা চৰকাৰৰ আছেনে জনাব।

(ঘ) গোলকগঞ্জ সমষ্টিৰ সোনাহাট বাণিজ্য কেন্দ্ৰটো বাংলাদেশৰ লগত Import আৰু Export ৰ বাবে আদৰ্শ বাণিজ্য কেন্দ্ৰ উক্ত অঞ্চলৰ ৰাইজৰ দাবীৰ বাবে সোনাহাট বাণিজ্য কেন্দ্ৰটোক Integrated Checkpost লৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনা আছেনে?

(ঙ) যদি আছে, কেতিয়ালৈ ইয়াৰ কাম আৰম্ভ হ'ব জনাব।

*Subject :* **Opening of SCIENCE and COMMERCE Stream in colleges.**

Shri Sirajuddin Ajmal :

* 116. Will the Minister of HIGHER EDUCATION Department be pleased to State :

(a) Does the Government know that there is no Government college to impart science and commerce education to the students of a large rural area in Binnakandi constituency ?

(b) Does the Government ever realize that the students of these large rural areas have to depend on other Government/private colleges in Hojai or Nagaon for science and commerce education, making it even more difficult for poor students and

specially girl students?

(c) Is the Government aware that after submitting my letter MLA/JMK/007/AS/2024-25 dated 09/02/2024 to the Hon'ble Chief Minister, arrangements were initiated within the department for the introduction of the Science Section both in Haji. Anfar Ali College at Doboka and in Murajhar College at Murajhar ?

(d) If so, what steps have been taken or are being taken give in details ?

*বিষয় ঃ* **ট্ৰাইবেল বেল্ট আৰু ব্লক**

শ্ৰী ৰমাকান্ত দেউৰী ঃ

* ১১৭। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা ট্ৰাইবেল বেল্ট আৰু ব্লক আছে? কিমানটা ট্ৰাইবেল বেল্ট আৰু ব্লক বৰ্তমান বেদখলৰ কবলত আছে? উক্ত বেল্ট আৰু ব্লকসমূহ বেদখল মুক্ত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? অনুগ্ৰহ কৰি সদনত জনাব।

(খ) জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগে ২০২১ চনৰ পৰা বৰ্তমানলৈ শিক্ষা অনুষ্ঠান, ৰাজহুৱা ভৱন, সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে কিমানটা আঁচনি নিৰ্মাণ কৰিলে আৰু ইয়াত কিমান পুঁজি খৰচ কৰা হ'ল? তথ্য সহকাৰে সদনত জনাব।

*বিষয় ঃ* **ফৰেষ্ট ৰিজাৰ্ভ সম্পৰ্কত**

শ্ৰী প্ৰদীপ হাজৰিকা ঃ

* ১১৮। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ ফৰেষ্ট ৰিজাৰ্ভ (R.F) আৰু প্ৰস্তাৱিত ফৰেষ্ট ৰিজাৰ্ভ (P.R.F) কিমানখন আছে আৰু ক'ত ক'ত আছে? জিলা ভিত্তিত সদনত জনাব।

(খ) উক্ত ফৰেষ্ট ৰিজাৰ্ভ সমূহত বেদখল হৈছে নেকি?

(গ) যদি বেদখল হৈছে, কিমান মাটি বেদখল হৈছে? সম্পূৰ্ণ তথ্য তলত দিয়া অনুযায়ী দিব।

(i) আন্তঃৰাজ্যিক বেদখল

(ii) ৰাজ্যৰ ভিতৰৰ মানুহে কৰা বেদখল।

(iii) বাগিছাসমূহৰ দ্বাৰা কৰা বেদখল

(ঘ) বেদখলৰ সমস্যা কেনেদৰে সমাধান কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে, জনাবনে?

*বিষয় ঃ* **যোৰহাট বিজ্ঞান-প্ৰযুক্তি শিক্ষানুষ্ঠানৰ (JIST) উন্নীতকৰণ।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ

* ১১৯। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৭১ চনত ৰাজ্য চৰকাৰে অসমত বিজ্ঞান শিক্ষাৰ উত্তৰোণৰ প্ৰতি গুৰুত্ব দি প্ৰতিষ্ঠা কৰা যোৰহাট বিজ্ঞান মহাবিদ্যালয়খনে এতিয়াও মূল লক্ষ্যত উপনীত হ'ব নোৱাৰাৰ কাৰণ কি বুলি বিভাগে অনুভৱ কৰে?

(খ) ২০০৮ চনত ৰাজ্য চৰকাৰে কি লক্ষ্য আৰু উদ্দেশ্যেৰে মহাবিদ্যালয়খনক Jorhat Institute of Science & Technology লৈ

ৰূপান্তৰ কৰিছিল? বৰ্তমান পৰ্য্যন্ত সেই লক্ষ্য আৰু উদ্দেশ্য কিমান পৰিমাণে সফল হ'ল?

(গ) ৰাজ্য চৰকাৰে ২০১৩-১৪ বিত্তীয় বৰ্ষ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত ক্ৰমে ২২ কোটি আৰু ৪৬ কোটি টকা অনুষ্ঠানটোৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আগবঢ়াইছিল নে? যদি আগবঢ়াইছিল, এই দুই ধনৰাশি কি কামত খৰছ হ'ল আৰু কিখিনি কৰিব পৰা নহ'ল?

(ঘ) শেহতীয়াকৈ যোৰহাট চিটিজেন ফ'ৰামৰ এটা প্ৰতিনিধি দলে ৬-২-২০২৫ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী আৰু ৭-২-২০২৫ তাৰিখে বিভাগীয় মন্ত্ৰীৰ লগত কৰা আলোচনাই বিজ্ঞান শিক্ষাৰ অনুষ্ঠানটিক পূৰ্ণাঙ্গ ৰূপ দিয়াৰ দিশত কি সিদ্ধান্ত বিভাগে গ্ৰহণ কৰিছে?

*বিষয়ঃ* **'এড্ভাণ্টেজ আছাম' আৰু অসমত পুঁজিৰ বিনিয়োগ।**

শ্ৰী অখিল গগৈঃ

* ১২০। মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) 'এড্ভাণ্টেজ আছাম'ৰ প্ৰথম সংস্কৰণে অসমত কিমান পুঁজিৰ বিনিয়োগ সৃষ্টি কৰিলে? বিনিয়োগকাৰীৰ নাম, পুঁজিৰ পৰিমাণ, বিনিয়োগ ক্ষেত্ৰ আৰু স্থানীয় কৰ্ম সংস্থাপনৰ পৰিমাণৰ তালিকা সদনত দাখিল কৰিব।

(খ) 'এড্ভাণ্টেজ আছাম'ৰ দ্বিতীয় সংস্কৰণে অসমত কিমান পুঁজিৰ বিনিয়োগ সৃষ্টি কৰিলে অথবা কৰিব? বিনিয়োগকাৰীৰ নাম, পুঁজিৰ পৰিমাণ, বিনিয়োগ ক্ষেত্ৰ আৰু সৃষ্টি হ'বলগীয়া স্থানীয় কৰ্ম সংস্থাপনৰ পৰিমাণৰ তালিকা সদনত দাখিল কৰিব।

(গ) ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ তাৰিখলৈকে অসমত বিনিয়োগ কৰা কোন কোন ব্যক্তি, উদ্যোগ প্ৰতিষ্ঠানে কি কি ৰাজসাহাৰ্য্য (যেনে- Capital Subsidy, Transport Subsidy ইত্যাদি) লাভ কৰিছে তালিকা প্ৰদান কৰিব। সেইবোৰ প্ৰতিষ্ঠানত নিযুক্তি লাভ কৰা অসমৰ নাগৰিকৰ সংখ্যা জনাব।

(ঘ) জাগীৰোডত 'টাটা'ক ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনৰ বাবে কিমান মাটি আৰু অন্যান্য সাহাৰ্য্য প্ৰদান কৰা হৈছে? কি কি ক্ষেত্ৰত তেওঁলোকক ৰাজ সাহাৰ্য্য প্ৰদান কৰা হ'ব সবিস্তাৰে জনাব।

A.G.P. (Mini) LAQ - 18 /2025-550-03-03-2025